CAREERINDIA

Language Code : **03**

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

# JSS-24-I

## प्रश्न-पत्र-I / PAPER-I

## असमीया भाषा परिशिष्ट
## Assamese Language Supplement
## भाग-IV & V / PART-IV & V

मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.

मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code

**A**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **A**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :

| | |
|---|---|
| भाग-IV : भाषा-I (असमीया) | (प्र. 91 से प्र. 120) |
| भाग-V : भाषा-II (असमीया) | (प्र. 121 से प्र. 150) |

7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **A**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :

| | |
|---|---|
| Part-IV : Language-I (Assamese) | (Q. 91 to Q. 120) |
| Part-V : Language-II (Assamese) | (Q. 121 to Q. 150) |

7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile Signature Stamp of
Centre Superintendent : ____________________

www.careerindia.com

CAREERINDIA

Language Code : **03**

# JSS-24-I

**কাকত-I**

**অসমীয়া ভাষা**

**খণ্ড–IV & V**

পৰীক্ষা বহীখনৰ কোড

**A**

এই পৰীক্ষা বহীত **20** টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ লৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **A** এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমুধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______

ৰোল নম্বৰ : সংখ্যাৰে ______

: আখৰেৰে : ______

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______

প্ৰাৰ্থীৰ সহী : ______ নিৰীক্ষকৰ সহী : ______

Facsimile signature stamp of
Centre Superintendent ______

www.careerindia.com

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

www.careerindia.com

CAREERINDIA

## PART–IV

## LANGUAGE–I

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলৰ পেৰাগ্ৰাফটো পঢ়ি 91 ৰ পৰা 99 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰাঁ ।**

প্ৰয়োজনৰ তুলনাত অসমীয়া ভাষাত কিতাপ ইমান কম যে কেৱল অসমীয়া কিতাপ পঢ়ি আমি আধুনিক জ্ঞান-বিজ্ঞানৰ সকলো তত্ত্ব আৰু তথ্য আয়ত্ত কৰিবলৈ আশা কৰিব নোৱাৰোঁ। আমাৰ এই সমস্যা সমাধান কৰাৰ মাত্ৰ দুটা উপায় আছে। প্ৰথমটো উপায় হ'ল এই যে আমি ইংৰাজী তথা অন্যান্য বিদেশী ভাষাত লেখা সকলোবোৰ উৎকৃষ্ট কিতাপ অসমীয়ালৈ অনুবাদ কৰাৰ ব্যৱস্থা কৰিব লাগিব। পৃথিৱীৰ সকলো উন্নতিকামী আৰু জ্ঞান-পিপাসু জাতিয়েই এই কাম কৰি থাকে। প্ৰসঙ্গত জাপানৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। জাপানে দীৰ্ঘকাল ধৰি বহিৰ্জগতৰ লগত সকলো সম্পৰ্ক এৰাই চলিছিল। কোনো জাপানীক বিদেশ ভ্ৰমণ কৰিবলৈ অনুমতি দিয়া নহৈছিল; কোনো বিদেশীকো জাপানত বসবাস কৰিবলৈ দিয়া নহৈছিল। ফলত ইউৰোপৰ নৱ-জাগৰণ আৰু শিল্প-বিপ্লৱে সমগ্ৰ পৃথিৱীতে যি পৰিৱৰ্তন আনিছিল, জাপানে তাৰ একো ভু ৰখা নাছিল। কিন্তু ১৮৫৪ খ্ৰীষ্টাব্দত আমেৰিকাৰ নৌ-সেনাপতি মেথ্যু চি পেৰিয়ে বিদেশৰ লগত বাণিজ্য কৰিবৰ কাৰণে জাপানৰ বন্দৰবোৰ মুকলি কৰি দিবলৈ জাপান চৰকাৰক বাধ্য কৰালে। এনেকৈয়ে বহিৰ্জগতৰ লগত জাপানৰ প্ৰথম সংযোগ ঘটিল। টোপনিৰ পৰা হঠাৎ খক্‌মক্‌কৈ সাৰ পোৱা মানুহৰ দৰে জাপানে চাৰিওফালে চকু ফুৰাই চাই দেখিলে - আধুনিক জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ সাধনাত পৃথিৱীখন ইতিমধ্যেই বহুত আগ বাঢ়ি গ'ল। এতিয়া যদি জাপানে বাকীবোৰ অগ্ৰসৰ দেশৰ সমকক্ষ হ'ব খোজে, তেন্তে আনে দুশ বছৰত অৰ্জন কৰা জ্ঞান জাপানে বিশ বছৰতে আয়ত্ত কৰিব লাগিব। কিন্তু এই অসম্ভৱক কেনেকৈ সম্ভৱ কৰা যায়। জাপানে যিটো প্ৰথম কাম হাতত ল'লে সেইটো হ'ল আধুনিক জ্ঞান-বিজ্ঞানৰ পীঠস্থান ইউৰোপৰ সকলো উন্নত ভাষাৰ লাগতিয়াল কিতাপবোৰ জাপানী ভাষালৈ অনুবাদ কৰা। একে আষাৰে ক'বলৈ গ'লে জাপানে কেৱল অনুবাদৰ যোগেদিয়েই সমস্ত পৃথিৱীৰ জ্ঞান-ভাণ্ডাৰ আয়ত্ত কৰি নিজকে পৃথিৱীৰ আটাইতকৈ উন্নত দেশকেইখনৰ ভিতৰত এখন ৰূপে গঢ়ি তুলিবলৈ সক্ষম হ'ল।

**91.** "এতিয়া যদি জাপানে বাকীবোৰ অগ্ৰসৰ দেশৰ সমকক্ষ হ'ব খোজে। তেন্তে, আনে দুশ বছৰত অৰ্জন কৰা জ্ঞান জাপানে বিশ বছৰতে আয়ত্ত কৰিব লাগিব।"

- ইয়াত তেন্তে শব্দটো ঃ

(1) ভাৱবোধক অব্যয় (2) সংযোজক অব্যয় (3) বিশেষণ (4) সংযোজক সৰ্বনাম

**92.** জাপানৰ বৌদ্ধিক উন্নতিৰ দুৱাৰ মুকলি কৰা ঘটনাটো আছিল ঃ

(1) কিতাপ অধ্যয়ন আৰম্ভ কৰা

(2) বাকী দেশবোৰৰ সমকক্ষ হোৱা

(3) শিল্প বিপ্লৱ

(4) আমেৰিকাই জাপানৰ নৌবন্দৰবোৰ মুকলি কৰি দিবলৈ বাধ্য কৰা

www.careerindia.com

**93.** আধুনিক জ্ঞান-বিজ্ঞানৰ পীঠস্থান হ'ল ঃ

(1) ইংলেণ্ড (2) ইউৰোপ (3) জাপান (4) আমেৰিকা

**94.** 'বসবাস' শব্দটোৰ সমাৰ্থক শব্দ ঃ

(1) প্ৰব্ৰজন (2) প্ৰবাস (3) বসতি (4) আবাস

**95.** সমগ্ৰ পৃথিৱীলৈ পৰিৱৰ্তন আনিছিল ঃ

(1) জাপানৰ জ্ঞান চৰ্চাই (2) আমেৰিকাৰ নৌ অভিযানে

(3) জাপানৰ শিল্প আন্দোলনে (4) ইউৰোপৰ নৱজাগৰণ আৰু শিল্প বিপ্লৱে

**96.** ওপৰৰ পাঠটোৰ আধাৰত তলৰ কোনটো বাক্য শুদ্ধ ?

(1) জাপানে অতীজৰে পৰাই জ্ঞান বিজ্ঞানৰ ক্ষেত্ৰত ইউৰোপৰ আন দেশবোৰক ফেৰ মাৰিছিল।

(2) জাপান সুদীৰ্ঘকাল বহিৰ্জগতৰ সৈতে সংযুক্ত হৈ আছিল।

(3) জাপানে ইউৰোপৰ আন ভাষাৰ গ্ৰন্থবোৰ অনুবাদ কৰি আন দেশবোৰে দুশ বছৰত অৰ্জন কৰা জ্ঞান আহৰণ কৰিছিল।

(4) জাপানে নিজৰ ভাষাতে সকলো গ্ৰন্থ ৰচনা কৰিছিল।

**97.** আমাৰ জ্ঞান-বিজ্ঞানৰ প্ৰয়োজনীয় কথাবোৰ জানিবলৈ আমি অৱলম্বন কৰিব লগা প্ৰথম উপায়টো ঃ

(1) বিদেশ ভ্ৰমণ (2) ইংৰাজী শিক্ষা (3) অনুবাদ (4) বিদেশী ভাষাৰ শিক্ষা

**98.** অসমীয়া মানুহৰ জ্ঞান আহৰণৰ প্ৰধান অন্তৰায় কি ?

(1) অনুবাদৰ অভাৱ (2) কিতাপৰ সংখ্যা প্ৰয়োজনতকৈ কম

(3) অসমীয়াই ইংৰাজী নাজানে (4) অসমীয়াই কিতাপ নপঢ়ে

**99.** মেথ্যু চি পেৰি কোন আছিল ?

(1) জাপানৰ নৌ সেনাপতি (2) আমেৰিকাৰ নৌ সেনাপতি

(3) এগৰাকী প্ৰসিদ্ধ জাৰ্মান লেখক (4) এগৰাকী জাপানী যাজক



www.careerindia.com

CAREERINDIA

**তলৰ কবিতাটো পঢ়ি প্ৰশ্ন নং 100 ৰ পৰা 105 লৈকে প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰবোৰ চিনাক্ত কৰাঁ।**

গছে যদি আমাৰ দৰে
পাৰে কথা ক'ব,
গছে যদি খোজ কাঢ়ে
কেনে মজা হ'ব।

ফল আনি গছে যদি
ঘৰে ঘৰে দিয়ে,
আমাৰ পৰা মৰম-চেনেহ
পাতত বান্ধি নিয়ে।

হাবি এৰি গছ যদি
আমাৰ লগত যায়,
চাইকেল, ৰিক্সা, গাড়ীবোৰৰ
কি হ'ব বিলাই।

সৰু-ডাঙৰ গছ মিলি
শাৰী পাতি যাব,
দুয়ো কাষে ল'ৰা-বুঢ়াই
ৰ লাগি চাব।

কেনে মজা হ'ব যে ভাই
কেনে মজা হ'ব,
গছবোৰো আমাৰ দেখোন
লগৰীয়া হ'ব।

**100.** কবিতাটোৰ কল্পনাবোৰ -

(1) স্বাভাৱিক (2) উদ্ভট (3) সাধাৰণ (4) লৌকিক

**101.** কবিতাটোত সামগ্ৰিকভাৱে ব্যৱহৃত শব্দালংকাৰটো কি ?

(1) অনুপ্ৰাস (2) যমক (3) বক্ৰোক্তি (4) শ্লেষ

**102.** "গছবোৰ দেখোন আমাৰ __________ হ'ব।"

(1) লগৰীয়া (2) সমনীয়া (3) সহযাত্ৰী (4) মৰমৰ পাত্ৰ

www.careerindia.com

103. আমাৰ পৰা মৰম-চেনেহ গছে কি কৰি নিব বুলি কল্পনা কৰিছে ?

(1) আমাৰ লগে লগে ঘূৰি ফুৰি
(2) গছৰ ফল গছে ঘৰে ঘৰে দি গৈ
(3) শাৰী পাতি গৈ থাকি
(4) আমাক মৰম কৰি

104. গছ যদি আমাৰ লগত যায়, তেতিয়া কি হ'ব ?

(1) আমাৰ মৰম পাব
(2) গছে খোজ কাঢ়িব
(3) চাইকেল, ৰিক্সা, গাড়ীবোৰৰ বিলাই হ'ব
(4) ফলবোৰ ঘৰে ঘৰে পাব

105. গছবোৰ আমাৰ লগত গৈ থাকিলে -

(1) সকলো আচৰিত হ'ব।
(2) ল'ৰা-বুঢ়াই ৰ লাগি চাব।
(3) মৰম চেনেহ পাতত বান্ধি ল'ব।
(4) ফলবোৰ সহজতে পোৱা যাব।

106. এটি শিশুৱে ভালকৈ আলোচনা কৰাৰ পাছতো নিজে এটা পেৰাগ্ৰাফ নিলিখে। কিন্তু তেওঁ ডাঙৰৰ সহায়ত বা সহপাঠীৰ তত্ত্বাৱধানত এই কামটো কৰিব পাৰে। এই ধৰণৰ তত্ত্বাৱধানক কোৱা হয় -

(1) আধাৰ প্ৰস্তুতকৰণ (Scaffolding)
(2) সহপাঠী শিক্ষণ
(3) সহপাঠী কাউন্সিলিং
(4) গোট শিক্ষণ

107. __________ হৈছে এনে এক প্ৰকাৰৰ শিকন প্ৰক্ৰিয়া যিটোৰ বাবে অতি উচ্চস্তৰীয় মানসিক প্ৰক্ৰিয়া যেনে বুদ্ধিমত্তা বা যৌক্তিকতা আদিৰ আশ্ৰয় ল'ব লগা হয়।

(1) মৌখিক শিকন (Verbal Learning)
(2) ধাৰণা শিকন (Concept Learning)
(3) অংগ সঞ্চালন শিকন (Motor Skills Learning)
(4) গঠন শিকন (Structure Learning)

108. এগৰাকী শিক্ষক হিচাপে তুমি এটি শিশুৱে দুটামান শব্দ ভুলকৈ উচ্চাৰণ কৰাৰ পাছতো 'সামগ্ৰিক ভাষা ব্যৱহাৰ'ৰ বাবে তেওঁক প্ৰশংসা কৰিলা। তুমি শ্ৰেণীত __________ অভিগম ব্যৱহাৰ কৰিলা।

(1) সামগ্ৰিক ভাষা (Whole language)
(2) যোগাযোগমূলত
(3) সৈধান্তিক (Constructivist)
(4) গঠনবাদী (Structural)

109. আপুনি এগৰাকী হিন্দীভাষী শিক্ষক আৰু আপোনাক পাঞ্জাৱৰ এখন প্ৰাথমিক বিদ্যালয়ত নিযুক্তি দিয়া হ'ল। আপুনি যিহেতু সেই স্থানৰ স্থানীয় ভাষাটো নাজানে, গতিকে আপুনি -

(1) হিন্দীভাষী প্ৰধান এলেকালৈ বদলি বিচাৰি তৎকালীনভাৱে আবেদন কৰিব।
(2) শিশুৰ মুখৰ ভাষাটোকে সমল ভাষা ৰূপে গ্ৰহণ কৰিব আৰু পঢ়াবলৈ আৰম্ভ কৰিব।
(3) ইংৰাজীত যোগাযোগ কৰিব।
(4) সকলোকে হিন্দী শিকিবলৈ অনুপ্ৰেৰিত কৰিব।

CAREERINDIA

**110.** _________ উপলব্ধি (Comprehension) হৈছে এটা দক্ষতা, যিটোত এটা পাঠ মনোযোগেৰে আৰু ঐকান্তিকতাৰে পঢ়ি এটা বিশেষ তথ্য পাঠটোৰ পৰা বাহিৰ কৰা হয়।

(1) গোলকীয় (Global)

(2) স্থানীয়

(3) আনুমানিক

(4) মূল্যমান নিৰ্ণায়ক

**111.** ভাষা অধ্যয়নত নিদানমূলক পৰীক্ষা (diagnostic test) ৰ উদ্দেশ্য হৈছে -

(1) সামগ্রিক মূল্যায়ন (Summative Assessment) ৰ বাবে প্ৰশ্ন প্ৰস্তুত কৰা।

(2) অভিভাৱকক PTM ৰ যোগেদি খবৰ দিয়া আৰু তেওঁলোকক মনোযোগ দিবলৈ অনুৰোধ কৰা।

(3) শিক্ষাৰ্থীৰ বোধজনিত সীমাৰদ্ধতা সম্পৰ্কে জ্ঞাত হোৱা আৰু নিদানমূলক পদক্ষেপ লোৱা।

(4) শিক্ষাৰ্থীৰ ফলাফল টোকাত প্ৰাপ্ত তথ্যবোৰ লিপিবদ্ধ কৰা।

**112.** তলৰ কোনটো পাঠ্যপুথিৰ ক্ষেত্ৰত শুদ্ধ মন্তব্য ?

(1) এখন পাঠ্যপুথি হৈছে শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবে চূড়ান্ত সমল।

(2) ই পাঠ্যসূচীত নিৰ্ধাৰণ কৰা উদ্দেশ্যাৱলী সমাধাত সহায় কৰে।

(3) ই হৈছে শিক্ষাবৰ্ষটোৰ শৈক্ষিক কাৰ্যাৱলীৰ এক পৰিকল্পনা।

(4) এখন পাঠ্যপুথি বিকল্পবিহীন।

**113.** তলৰ কোনটো অভ্যাসে শিক্ষকক শিক্ষাৰ্থীৰ মৌখিক ভাষা বিকাশৰ ক্ষেত্ৰত সহায় কৰে ?

(1) শিক্ষকৰ সৈতে পাঠৰ সমস্বৰ পঠন।

(2) মুখস্থ কৰাৰ পাছত কবিতা এটাৰ সমস্বৰ পঠন।

(3) চৰিত্ৰ ৰূপায়ণত অংশগ্ৰহণ কৰা।

(4) নতুন অথবা অপৰিচিত শব্দৰ শুদ্ধ উচ্চাৰণৰ অভ্যাস কৰি।

**114.** যেতিয়া 'ভাষা এটা যাদৃচ্ছিক' বুলি কোৱা হয়, তেতিয়া বুজোৱা হয় যে -

(1) ভাষাৰ শব্দ আৰু অৰ্থৰ এক সহজাত সম্পৰ্ক থাকে।

(2) ভাষাৰ শব্দ আৰু অৰ্থৰ আধাৰ কিছুমান কাৰ্যকৰী কাৰণ আৰু ই হঠাৎ হোৱা নহয়।

(3) ভাষাৰ শব্দ আৰু অৰ্থৰ মাজত কোনো সহজাত সম্পৰ্ক নাই।

(4) ভাষাই পূৰ্ব নিৰ্ধাৰিত নীতি (pre fixed principle) মানি চলে।

www.careerindia.com

CAREERINDIA

**115.** ব্যাকৰণ শিক্ষণৰ অৱৰোহি অভিগমনে (deductive approach) পোষকতা কৰে যে আমি প্ৰথমে -

(1) উদাহৰণ উত্থাপন কৰিব লাগে

(2) নিয়মবোৰ উত্থাপন কৰিব লাগে

(3) যথাৰ্থ যোগাযোগ প্ৰতিষ্ঠা কৰিব লাগে

(4) অনুশীলনৰ যোগেদি অভ্যাস কৰাব লাগে

**116.** __________ হৈছে যথাৰ্থতাক অতিক্ৰমি কৰা মূল্যায়ন বা অনুমান।

(1) ব্যাখ্যা
(2) বিশ্লেষণ
(3) আনুমানিকতা (inference)
(4) বহিৰ্বেশন (Extrapolation)

**117.** এগৰাকী ভাষা শিক্ষকে নিশ্চিতভাৱে শিক্ষাৰ্থীক মুক্ত লিখনৰ বাবে পৃষ্ঠপোষকতা আগবঢ়াব লাগে, কাৰণ, মুক্ত লিখনৰ প্ৰধান লাভ হৈছে -

(1) ই শিক্ষাৰ্থীক সাৱলীলতাৰে আৰু সৃষ্টিশীলতাৰে লিখাৰ বাবে উৎসাহ যোগায়।

(2) শিক্ষাৰ্থীয়ে লিখিব নে নিলিখে তাৰ স্বাধীনতা থাকে।

(3) কেতিয়াও ভাবিব নালাগে যে তেওঁলোকে বহুত বেছিকৈ লিখিব বা একেবাৰে নিখুট হ'ব।

(4) তেওঁলোকৰ প্ৰথম ভাষা লিখনৰ বৈশিষ্ট্যবোৰ অন্তৰ্ভূক্ত কৰিব পাৰে।

**118.** পঞ্চম শ্ৰেণীৰ এগৰাকী শিক্ষক হিচাপে তুমি শিক্ষাৰ্থীসকলক এটা পাঠ বিস্তৃতভাৱে পঢ়িবলৈ ক'লা। তাৰ পাছত তুমি তেওঁলোকক প্ৰসংগ সংগতি দৰ্শাই প্ৰশ্নোত্তৰ কৰিবলৈ দিলা। এই প্ৰক্ৰিয়াৰ যোগেদি তুমি শিক্ষাৰ্থীক __________ ৰ বাবে উৎসাহ দিলা।

(1) বিস্তৃত পঠন
(2) চকু ফুৰাব (Scanning)
(3) সাৰ গ্ৰহণ (Skimming)
(4) গভীৰ পঠন

**119.** ভাষা আহৰণ সম্ভৱপৰ হয় তেতিয়া, যেতিয়া -

(1) শিশু এটা ব্যাকৰণৰ নিয়মবোৰ শিকোৱা হয়

(2) শিশু এটাক অনুবাদৰ অভ্যাস কৰিবলৈ দিয়া হয়

(3) শিশু এটাক পঢ়াৰ সুযোগ দিয়া হয়

(4) শিশুৰ ভাষাৰ সৈতে সংশ্ৰৱ হয়

**120.** মাতৃ ভাষাক শ্ৰেণীকোঠাত বাদ দিয়াটো __________ পদ্ধতিৰ এটা চৰিত্ৰ।

(1) স্বাভাৱিক (Natural)
(2) দ্বিভাষিক (Bilingual)
(3) শ্ৰব্য ভাষিক
(4) প্ৰত্যক্ষ

www.careerindia.com

CAREERINDIA

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

www.careerindia.com

CAREERINDIA

## PART–V

## LANGUAGE–II

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলত দিয়া পাঠটো পঢ়ি 121 ৰ পৰা 128 লৈকে দিয়া প্ৰশ্নসমূহৰ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰাঁ।**

অসমৰ সাহিত্য-সংস্কৃতি জগতৰ এগৰাকী সু-প্ৰতিষ্ঠিত লেখক, সংস্কৃতিৰ সাধক হ'ল বলাইৰাম সেনাপতি। তেওঁৰ জন্ম ১৯৩১ চনৰ ৩ মাৰ্চত, নগাঁও জিলাৰ বুৰঞ্জীপ্ৰসিদ্ধ বাৰপূজীয়া গাঁৱত। তেওঁৰ পিতাক আছিল বগাৰাম সেনাপতি আৰু মাক পদ্মেশ্বৰী বৰদলৈ। ঘৰুৱা জঞ্জালৰ হেতু হাইস্কুলীয়া শিক্ষা সমাপ্ত নকৰাকৈয়ে ডেকা বয়সত তেওঁ ১৯৫৩ চনৰ পৰা ১৯৬৩ চনলৈ সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলাৰ বৰথল মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিল। বলাইৰাম সেনাপতি ছাত্ৰাৱস্থাৰে পৰাই সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ প্ৰতি আগ্ৰহী আছিল। তিৱাসকলৰ গীত-মাত, নৃত্য-বাদ্য এইবোৰৰ চৰ্চা আৰু প্ৰসাৰৰ ক্ষেত্ৰত এক পদ্ধতিগত অনুশীলনৰ হকে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁ কৰা তিৱা লোকগীতৰ স্বৰলিপি ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন। তেওঁ তিৱা জনগোষ্ঠীৰ স্বকীয় সংস্কৃতি সংৰক্ষণৰ বাবে 'তিৱা কৃষ্টি সন্থা' গঠনত বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল। সেনাপতিৰ সৰহসংখ্যক সাহিত্য ৰচনা অসমীয়া ভাষাতে সৃষ্টি হৈছে। তেওঁ 'ৰামধেনু' আলোচনীত সেই সময়ত বিভিন্ন লেখা-মেলাৰ জৰিয়তে অসমৰ সাহিত্য-সংস্কৃতিৰ জগতখনৰ লগত পৰিচিত হৈ পৰে। গীতিকাৰ, সুৰকাৰ, গায়ক সেনাপতিয়ে ১৯৫৪ চনত 'মুকুল' নামৰ এখন গীতৰ পুথি ৰচনা কৰি প্ৰকাশ কৰে। তেওঁ ৰামধেনুত লিখা তিৱাসকলৰ 'ৰাতিসেৱা' বিষয়ক প্ৰবন্ধই সেইসময়ত সমকালীন অসমৰ বিদ্বৎ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। তেওঁ বাৰপূজীয়াত অনুষ্ঠিত হোৱা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পদতো অধিষ্ঠিত হৈছিল। তদুপৰি তেওঁ ২০০০ চনত 'তিৱা মাথনলাই তখ্রা' অৰ্থাৎ তিৱা সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। সাহিত্যিক হিচাপে তেওঁৰ উজ্জ্বল নিদৰ্শন হ'ল 'অতীতৰ সন্ধানত' (১৯৯৭), পাঁচোৰজীয়া অঞ্চলৰ লালুঙৰ লোকগীতৰ ওপৰত সামান্য আলোকপাত' (১৯৯৭), আৰু 'তিৱা জনগোষ্ঠীয় সংস্কৃতিত আলোকপাত, তিৱা সমাজ আৰু সংস্কৃতি' (২০১০), এই তিনিখন গ্ৰন্থ। পুস্তিকা আকাৰত প্ৰকাশ পোৱা তেওঁ প্ৰদান কৰা 'তিৱা জনজাতি আৰু বৈষ্ণৱ সমাজ' শীৰ্ষক 'অনন্তদেৱ স্মাৰক বক্তৃতা'ৰ ভাষণটোত সেনাপতিৰ চিন্তাৰ গভীৰতা আৰু সমাজ বিশ্লেষণৰ বিচক্ষণতা সুন্দৰ ৰূপত প্ৰকাশ পাইছে। বিভিন্ন কাকত, আলোচনী, স্মৃতিগ্ৰন্থ, মুখপত্ৰত তেওঁ নিয়মিতভাৱে লেখা-মেলা কৰিছিল। তাৰ ভিতৰত ৰামধেনু, আমাৰ প্ৰতিনিধি, সাদিনীয়া অসমীয়া, নৱযুগ, বিংছাং, আজিৰ অসম আৰু গৰীয়সী আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

সাহিত্যৰ ক্ষেত্ৰখনলৈ তেওঁ আগবঢ়োৱা উল্লেখনীয় বৰঙণিৰ স্বীকৃতি হিচাবে ১৯৯১ চনত অসম চৰকাৰে তেওঁলৈ সাহিত্যিক পেঞ্চন আগবঢ়ায়। ইয়াৰ উপৰিও তিৱা সমাজ-সংস্কৃতিৰ একান্ত সাধক, গৱেষক পণ্ডিত হিচাপে নগাঁও জিলা সাহিত্য সভাই ২০১১ চনত তিলক চন্দ্ৰ দেৱশৰ্মা স্মাৰক 'ড° সূৰ্য্য কুমাৰ ভূঞা বঁটা' আৰু অসমৰ লোক-সংস্কৃতিৰ সাধক হিচাপে বকুল বন ন্যাস, অসমে ২০১১ চনত 'বকুল বন বঁটা' প্ৰদান কৰিছিল।

আকাশবাণীৰ জৰিয়তে প্ৰচাৰিত বলাইৰাম সেনাপতি ৰচিত গীতি-আলেখ্য কেইখন হৈছে - 'নগাৰ নৰোত্তম গোসাই শ্ৰীৰাম', 'ফুলগুৰিৰ ধেঁৱা', 'তিৱা সমাজ-সংস্কৃতি', 'হেৰুৱা দিনৰ সুৰ' আৰু 'স্বাধীনতা সংগ্ৰামৰ বিপ্লৱী গীত'।

এইগৰাকী মহান ব্যক্তিয়ে ২০১৪ চনৰ ১১ মে'ত ইহলীলা সম্বৰণ কৰে।



www.careerindia.com

CAREERINDIA

**121.** পাঠটোত উল্লেখ কৰা তথ্যৰ আধাৰত তলৰ কোনখন আলোচনীত বলাইৰাম সেনাপতিয়ে লেখা নাছিল বুলি ধৰিব পাৰি ?

(1) সাতসৰী (2) ৰামধেনু (3) গৰীয়সী (4) আমাৰ প্ৰতিনিধি

**122.** বলাইৰাম সেনাপতিয়ে শিক্ষকতা কৰিছিল -

(1) আজীৱন (2) ১২ বছৰ (3) ১০ বছৰ (4) মৃত্যু পৰ্যন্ত

**123.** পুস্তিকা, অভিভাষণ আৰু আলেখ্যক বাদ দি ওপৰত বলাইৰাম সেনাপতিয়ে লেখা কেইখন গ্ৰন্থৰ নাম উল্লেখ আছে ?

(1) তিনিখন (2) পাঁচখন (3) চাৰিখন (4) সাতখন

**124.** বলাইৰাম সেনাপতিয়ে -

(1) তিৱা লোকগীতৰ স্বৰলিপি প্ৰস্তুত কৰিছিল

(2) তিৱা লোকগীত বিদেশত গাইছিল

(3) তিৱা লোকগীত বিভিন্ন কাকত আলোচনীত প্ৰকাশ কৰিছিল

(4) তিৱা লোকগীত শিকাবৰ বাবে বিদ্যালয় খুলিছিল

**125.** বলাইৰাম সেনাপতিৰ বিশেষ দখল থকা বিষয়টো হৈছে -

(1) তিৱা লোকসংস্কৃতি (2) তিৱা গল্প

(3) তিৱাসকলৰ আধুনিক সাহিত্য (4) তিৱা শিক্ষা ব্যৱস্থা

**126.** বলাইৰাম সেনাপতিক কোন চনত বকুল বন বঁটা প্ৰদান কৰা হৈছিল ?

(1) ১৯৯৭ (2) ২০১০ (3) ২০১১ (4) ১৯৯১

**127.** বলাইৰাম সেনাপতিয়ে তলৰ কোনটো অনুষ্ঠানৰ সভাপতিৰ পদ অলংকৃত কৰিছিল ?

(1) তিৱা জনজাতি আৰু বৈষ্ণৱ সমাজ (2) অসম সাহিত্য সভা

(3) তিৱা লোক সংস্কৃতি সংস্থা (4) তিৱা সাহিত্য সভা

**128.** ওপৰৰ পাঠটোত মূখ্যভাৱে কি কালবাচক শব্দৰ অধিক ব্যৱহাৰ হৈছে ?

(1) স্বৰূপ বৰ্তমান (2) স্বৰূপ ভূত (3) সামীপ্য ভূত (4) সাম্ভাব্য ভূত

www.careerindia.com

**তলৰ পাঠটো পঢ়ি 129 ৰ পৰা 135 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰাঁ।**

প্ৰাণীদেহৰ জীৱন ক্ৰিয়াসমূহ স্নায়ুতন্ত্ৰৰ উপৰিও ৰাসায়নিক সমন্বয়ৰ দ্বাৰাও নিয়ন্ত্ৰিত হয়। কিছুমান ৰাসায়নিক পদাৰ্থই শৰীৰৰ যাবতীয় বিপাকীয় ক্ৰিয়া পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। কেনেকৈ এনে ৰাসায়নিক পদাৰ্থবোৰে প্ৰাণীসমূহৰ দেহৰ উদ্দীপনা প্ৰেৰণ কৰে ? কেতিয়াবা কিছুমান প্ৰাণীয়ে আংতকিত মুহূৰ্তত দেহটো বিশেষ আকৃতি কৰি দেখুৱায়, কেতিয়াবা কেৰ্কেটুৱাবোৰে ভয় খালে কেনেকুৱা কৰে বাৰু ? সিহঁতে এটাই আন এটাৰ লগত কাজিয়া কৰিব বিচাৰে নতুবা আনটো পলাই আঁতৰি যায়। কাজিয়া কৰা বা পলাই আঁতৰি যোৱা দুয়োটা ক্ৰিয়া যথেষ্ট জটিল। দুয়োটা ক্ৰিয়াতে শক্তি প্ৰয়োগ কৰি নিয়ন্ত্ৰণ কৰে। বিভিন্ন ধৰণৰ কলা সমন্বিত হৈ এনে কাৰ্য সম্পাদিত কৰে। কিন্তু দুটা প্ৰাণীৰ মাজত দন্দ বা কাজিয়া কৰা বা দৌৰি ফুৰা পৰিঘটনা কেইটা সম্পূৰ্ণ বেলেগ। এনেধৰণৰ মুহূৰ্তবোৰত দেহত সাধাৰণ প্ৰস্তুতি (Common preparation) কৰি লয়। এনেধৰণৰ প্ৰস্তুতিবিলাকে সহজতে কৰিবলগা কাৰ্যবিলাক সম্পাদন কৰে। এনেধৰণৰ কৌশলবিলাক কেনেকৈ লাভ কৰে ?

যদি কেৰ্কেটুৱাৰ দেহৰ কলাবোৰ এনেদৰে গঠিত হৈছে যে কেৱল স্নায়ুকোষৰ মাজেদি বৈদ্যুতিক প্ৰেৰণা পাৰ হৈ যায় তেতিয়া কোনো এটা কাৰ্য সম্পাদনা কৰিবলৈ সহজ হয়। যদি দেহৰ সকলো কোষে ৰাসায়নিক উদ্দীপনা লাভ কৰে তেন্তে দেহৰ বহুত পৰিবৰ্ত্তন সংঘটিত হয়। অধিবৃক্ক গ্ৰন্থি (adrinal gland) য়ে নিঃসৰন কৰা এড্ৰিনেলিন নামৰ হৰম'নবিধৰ সহায়ত এনেধৰণৰ পৰিঘটনা মানুহকে ধৰি আন বহুতো প্ৰাণীৰ ক্ষেত্ৰত ঘটে।

এড্ৰিনেলিন পোনপটীয়াকৈ তেজত নিঃসৰন কৰে আৰু দেহৰ বিভিন্ন অংশলৈ কঢ়িয়াই লৈ যায়। এই হৰম'নবিধে নিৰ্দিষ্ট কাৰ্যকৰী লক্ষ্য অংগ (target organs) বা নিৰ্দিষ্ট কোষকলাত ক্ৰিয়া কৰে। ইয়াৰ ভিতৰত হৃদযন্ত্ৰও অন্তৰ্ভুক্ত। ইয়াৰ ফলত আমাৰ হৃদযন্ত্ৰৰ ধপ্ ধপনি বাঢ়ি যায় ফলত পেশীসমূহত অক্সিজেনৰ যোগান বৃদ্ধি হয়। ধমনীবোৰক আগুৰি থকা পেশীবোৰৰ সংকোচনৰ ফলত পাচনতন্ত্ৰ আৰু ছালত তেজৰ প্ৰবাহ কমি যায়। ইয়াৰ কাৰণে কংকাল পেশীলৈ তেজ প্ৰবাহিত হয়। মধ্যচ্ছদা আৰু কামিহাড়ৰ পেশী সংকোচনৰ ফলত শ্বাস-প্ৰশ্বাসৰ হাৰ বৃদ্ধি পায়। এই সকলোবিলাক সহাৰি একেলগ হৈ কোনো এটা কাৰ্য সম্পাদন হয়। এনেধৰণৰ প্ৰাণী হৰম'নবিলাক আমাৰ দেহৰ নিয়ন্ত্ৰণ আৰু সমন্বয় ৰক্ষা কৰাৰ অন্য এক দ্বিতীয় প্ৰকাৰৰ তন্ত্ৰ - অন্তঃস্ৰাৱী তন্ত্ৰ (endocrine system) ৰ অংশ।

**129.** 'ধমনী' শব্দৰ অৰ্থ হৈছে -

(1) স্নায়ু (2) ৰক্তবাহী নলী (3) পেশী (4) স্নায়ুকোষ সংযুক্ত পেশী

**130.** আমাৰ দেহৰ সঁহাৰি কিহে নিয়ন্ত্ৰণ কৰে ?

(1) উদ্দীপনা (2) অক্সিজেন (3) হৰম'ন (4) অধিবৃক্ক গ্ৰন্থি

**131.** তলত দুটা উক্তি দিয়া হৈছে। উক্তি দুটাৰ **শুদ্ধাশুদ্ধ** বিচাৰ কৰাঁ -

**উক্তি 'ক' ঃ** দুটা প্ৰাণীয়ে কাজিয়া কৰা আৰু সাধাৰণভাৱে দৌৰাদৌৰি কৰি ফুৰা কথা দুটা সম্পূৰ্ণ সুকীয়া প্ৰক্ৰিয়াৰে সম্পন্ন হয়।

**উক্তি 'খ' ঃ** দুটা প্ৰাণীয়ে কাজিয়া কৰি পলাই আঁতৰি যোৱাটোত বিভিন্ন ধৰণৰ কলাই সমন্বিত হৈ কাৰ্য কৰে।

(1) 'ক' শুদ্ধ 'খ' অশুদ্ধ (2) 'ক' অশুদ্ধ 'খ' শুদ্ধ

(3) 'ক' আৰু 'খ' দুয়োটাই শুদ্ধ (4) 'ক' আৰু 'খ' দুয়োটাই অশুদ্ধ

CAREERINDIA

**132.** হৰম'নৰ -

(1) সকলো অংগতে বিস্তৃত হয় (2) নিৰ্দিষ্ট লক্ষ্য অংগ থাকে

(3) নিৰ্দিষ্ট কোষকলা নাথাকে (4) মূলতঃ হৃদযন্ত্ৰই প্ৰধান লক্ষ্য

**133.** এড্ৰিনেলিন নিঃসৰণৰ ফলত -

(1) প্ৰাণীয়ে কাজিয়া কৰে (2) সকলো অংগই সঁহাৰি দিয়ে

(3) হৃদয়ৰ ঢপঢপানি বাঢ়ি যায় (4) কেৰ্কেটুৱাই লৰি চাপৰি ফুৰে

**134.** শৰীৰৰ বিপাকীয় ক্ৰিয়া কিহে পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে ?

(1) শক্তি (2) প্ৰতিক্ৰিয়া (3) এড্ৰিনেলিন (4) কিছুমান ৰাসায়নিক পদাৰ্থ

**135.** "বিভিন্ন ধৰণৰ কলা সমন্বিত হৈ এনে কাৰ্য সম্পাদিত কৰে।" - এই বাক্যটো কি কালৰ ?

(1) স্বৰূপ বৰ্তমান (2) নিত্য বৰ্তমান (3) সামীপ্য বৰ্তমান (4) সাম্ভাৱ্য বৰ্তমান

**136.** ভাষা দক্ষতাই শিক্ষাৰ্থীক পাৰ্গত কৰে -

(1) বৈয়াকৰণিকভাৱে শুদ্ধ আৰু অশুদ্ধ বাক্য চিনাক্তকৰণত

(2) বৈয়াকৰণিকভাৱে শুদ্ধ নহ'লেও সাৱলীলভাৱে কথা কব পৰাত

(3) কেনেকৈ আৰু ক'ত কি ভাষা ব্যৱহাৰ কৰিব লাগে তাৰ জ্ঞান লাভ কৰাত

(4) অধিকৰ পৰা অধিকতৰ ইংৰাজী ব্যৱহাৰত

**137.** প্ৰাথমিক স্তৰৰ শিক্ষকে সাধাৰণতে শিক্ষাৰ্থীক ছবি আঁকিবলৈ আৰু ৰং কৰিবলৈ উৎসাহ দিয়ে। কাৰণ ই সহায় কৰে -

(1) শ্ৰেণীত শিক্ষাৰ্থীসকলক ব্যস্ত ৰাখি নীৰৱতা ৰক্ষা কৰাত

(2) উত্তম অংগ সঞ্চালন দক্ষতা বৃদ্ধিত

(3) শিকাৰুৰ মনোৰঞ্জনত

(4) শিক্ষকক শিক্ষাদানৰ পৰা সকাহ প্ৰদানত

**138.** শিশুৱে তেতিয়া কাৰ্যকৰী ৰূপত ভাষা ক'বলৈ আৰম্ভ কৰে যেতিয়া তেওঁলোকে লাভ কৰে -

(1) এগৰাকী দক্ষ শিক্ষক (2) এখন ভাল পাঠ্যপুথি

(3) বাধানিষেধ (inhibition) (4) অনুপ্ৰেৰণা (motivation)

www.careerindia.com

**139.** এগৰাকী শিক্ষকে শ্ৰেণীকোঠাত শিক্ষাৰ্থীসকলৰ মাজত দলীয় আলোচনা (Group discussion) কৰিবলৈ দিছে আৰু তেওঁলোকৰ উচ্চাৰণ, বানান আদিক গুৰুত্ব দিয়া নাই। তেওঁ শ্ৰেণীকোঠাত __________ অভিগমৰ ব্যৱহাৰ কৰিছে।

(1) পৰম্পৰাগত (2) সাৰগ্ৰাহী (Eclectic)

(3) গঠনমূলক (Structural) (4) সৈধান্তিক (Constructivist)

**140.** এগৰাকী ভাষা শিক্ষক হিচাপে তুমি মন কৰিলা যে পাঠটোৰ ভাষা তোমাৰ শিক্ষাৰ্থীসকলৰ বাবে যথেষ্ট জটিল। তুমি ভাষাটো সৰলীকৰণ কৰাৰ লগতে তোমাৰ শিক্ষাৰ্থীসকলৰ অনুকূলে বিষয়ৰ ক্ষেত্ৰতো সম্যক সালসলনি কৰি দিলা। তুমি কৰা কাৰ্য্যটোক কোৱা হয় -

(1) গ্ৰহণ কৰা (Adopting) (2) অভিযোজন (Adaptation)

(3) মূল্যায়ন (4) পুনৰীক্ষণ

**141.** আজি ৰাজু অত্যন্ত সুখী, কাৰণ তেওঁ বিদ্যালয়লৈ গৈছে। তেওঁ তেওঁৰ পৰিয়ালৰ প্ৰথম, যি বিদ্যালয়লৈ গৈছে। তেওঁৰ পিতৃ-মাতৃকে ধৰি এই পৰিয়ালৰ কোনো সদস্যই আজিলৈকে স্কুলত নাম ভৰ্তি কৰি পোৱা নাই। গতিকে ৰাজু হৈছে __________ শিক্ষাৰ্থী।

(1) প্ৰথম প্ৰজন্মৰ (2) দ্বিতীয় প্ৰজন্মৰ (3) প্ৰান্তীয় শ্ৰেণীৰ (4) সংখ্যালঘু

**142.** তুমি পঢ়াবলৈ গৈ দেখিলা যে পাঠ্যপুথিখন ছবি আৰু পদ্যৰে আৰম্ভ হৈ বৰ্ণত শেষ হৈছে। ভাষা শিক্ষণৰ ক্ষেত্ৰত এনেধৰণৰ অনুক্ৰমক কি অভিগমনে সমৰ্থন কৰে ?

(1) উৰ্দ্ধমুখী অভিগম (Bottom-up approach)

(2) অধোমুখী অভিগম (Top down approach)

(3) সাৰগ্ৰাহী অভিগম (Eclectic approach)

(4) নান্দনিক অভিগম (Aesthetic approach)

**143.** যেতিয়া কোনো বিধিব্যৱস্থা অনুসৰণ নকৰি ভাষা এটা স্বাভাৱিকভাৱে শিকা হয়, তেতিয়া ইয়াক কোৱা হয় -

(1) শাস্ত্ৰলব্ধ বিদ্যা (Erudition) (2) আহৰণ (Acquisition)

(3) গ্ৰহণ (Acceptance) (4) শিকন (Learning)

**144.** শিক্ষাৰ্থীয়ে যুগ্মভাৱে বা গোট বান্ধি সামূহিকভাৱে সমস্যা সমাধান কৰিব পৰাটো __________ ৰ গুৰুত্বপূৰ্ণ বিশেষত্ব।

(1) যোগাযোগমূলক ভাষা প্ৰয়োগ

(2) আচৰণাত্মক অভিগম (Behaviourist approach)

(3) সামগ্ৰিক ভাষা অভিগম (Whole language approach)

(4) গঠনমূলক অভিগম (Structural approach)

145. 'প্ৰদূষণ'ৰ বিষয়ে পাঠদান পৰিকল্পনা এটা প্ৰস্তুত কৰি থাকোঁতে তোমাৰ প্ৰথম পদক্ষেপটো কি হ'ব ?

(1) পৰিচয়মূলক প্ৰশ্ন প্ৰস্তুত কৰা (2) বিষয়টো বহুবাৰ অধ্যয়ন কৰা

(3) শিকন সামগ্ৰী নিৰ্বাচন কৰা (4) লক্ষ্য নিৰ্দ্ধাৰণ কৰা

146. এগৰাকী শিক্ষকে শিক্ষাৰ্থীসকলক পানীৰ বিষয়ে এটা পেৰাগ্ৰাফ লিখিবলৈ দিলে। তেতিয়া শিসাৰ্থীসকলে বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ শ্ৰেণীত এই বিষয়ে হোৱা আলোচনাবোৰৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। তাৰ পাছত তেওঁলোকে পানীৰ বিষয়ে পেৰাগ্ৰাফটো লিখিবলৈ আৰম্ভ কৰিলে। এইটো কিহৰ উদাহৰণ ?

(1) ভাষা ব্যৱহাৰ (Language in use)

(2) বিজ্ঞানৰ ভাষা (Language of Science)

(3) পাঠ্যক্ৰম অতিক্ৰমনীয় ভাষা (Language Across Curriculum)

(4) যোগাযোগমূলক অভিগম

147. তুমি এনে এখন গাঁৱত জন্ম হ'লা য'ত সকলোৱেই হিন্দী ভাষা কয় আৰু স্কুললৈ নোযোৱাকৈয়ে তুমি হিন্দী ভাষাত কথা ক'বলৈ শিকি গ'লা। পাছত স্কুললৈ গৈ তুমি ইংৰাজী, সংস্কৃত, হিন্দী আৰু উৰ্দু ভাষা ক'বলৈ আৰম্ভ কৰিলা। এতিয়া তুমি সলসলিয়াকৈ ইংৰাজী ভাষাত কথা ক'ব পাৰা। এতিয়া তোমাৰ প্ৰথম ভাষা কোনটো ?

(1) ইংৰাজী (2) হিন্দী (3) উৰ্দু (4) সংস্কৃত

148. এগৰাকী শিক্ষকে বাস্তৱ জীৱনৰ সৈতে জড়িত ছাতি, ৰেইনকোট, স্ক্ৰু ড্ৰাইভাৰ আদি সামগ্ৰী কিছুমান শ্ৰেণীকোঠালৈ আনিলে আৰু সেইবোৰৰ বিষয়ে শিক্ষাৰ্থীসকলক দুই তিনিটা বাক্যত ব্যাখ্যা আগবঢ়াবলৈ ক'লে। শ্ৰেণীকোঠালৈ শিক্ষকে লৈ অনা বস্তুবোৰক পাৰিভাষিকভাৱে কোৱা হয় -

(1) ভাষা ইনপুট (2) শিকন সঁজুলি (3) আহিলা (4) ৰে'লিয়া (Realia)

149. শ্ৰেণীকোঠাত কালৰ বিষয়ে ধাৰণা দিবৰ বাবে একেজন মানুহৰে দুখন ছবি ব্যৱহাৰ কৰিছা; এখন ১৫ বছৰৰ আগৰ আৰু এখন এতিয়া তোলা। তুমি তেখেতৰ অতীত, বৰ্তমান, অৱস্থিতি অভ্যাস আদিৰ বিষয়ে কিছু কথা ক'লা। এতিয়া তুমি ব্যৱহাৰ কৰিছা -

(1) দীৰ্ঘাধিকাৰমূলক ব্যাকৰণ (Prescriptive Grammar)

(2) গঠনমূলক ব্যাকৰণ (Structural Grammar)

(3) শিক্ষণমূলক ব্যাকৰণ (Pedagogical Grammar)

(4) নিয়মভিত্তিক ব্যাকৰণ (Rule based Grammar)

CAREERINDIA

**150.** এগৰাকী শিক্ষাৰ্থীয়ে এটা শ্ৰেণী বা পাঠ্যক্ৰম শেষ কৰাৰ পাছত শিক্ষাৰ্থীয়ে আহৰণ কৰিবলগীয়া জ্ঞান, দক্ষতা আৰু মানভংগী বুজাবলৈ ব্যৱহৃত পৰিভাষাটো -

(1) শিকন পৰিণতি

(2) শিক্ষণ পৰিণতি

(3) সাংখ্যিক পৰিণতি

(4) আধাৰগত বৰ্ণবোধ পৰিণতি (Foundational Literacy Outcomes)

- o O o -

www.careerindia.com

SPACE FOR ROUGH WORK

www.careerindia.com

CAREERINDIA

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘুৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা।
3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।
4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব।
5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।
8. মবাইল ফোন, যিকোনো বেতাঁৰী সংযোগ সঁজুলি (আনকি চুইট্‌স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেনে পৰীক্ষাৰ্থীৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকৈ ধৰি কাৰ্যপস্থা গ্ৰহণ কৰা হ'ব।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহিৰ খালি ঠাইত বাঁও হাতৰ বুঢ়া অঙ্গুলিৰ ছাপ ৰখা লাগিব।
12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চুড়ান্ত হ'ব।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

www.careerindia.com

CAREERINDIA

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***

www.careerindia.com